বিয়াৰ সামাজিক অনুষ্ঠানৰ আগতেও স্বামী-স্ত্রী একেলগে থাকিব পাৰিছিল। দ্বিতীয়তে, কইনাৰ বয়স দৰাতকৈ সৰহ হোৱা ইংলণ্ডত একো বিস্ময়ৰ কথা নহয়। ছুবছৰমানৰ পিচত হেম্‌নেট আৰু যুডিথ নামে এহালি যঁজা লৰা-ছোৱালীৰ জন্ম হয়। ১৫৮৪ খ্রীষ্টাব্দ বা ২০ বছৰমান বয়সলৈ শ্বেক্‌ছপিয়াৰ ষ্ট্রেট্‌ফোর্ডতে, তাৰ পিচত অকস্মাৎ তেওঁ প্রায় ৭ বছৰ সময় নাইকিয়া হয়। অর্থাৎ এই কালডোখৰত তেওঁ কি কৰিছিল, ক'লৈ গৈছিল তাৰ সংবাদ নাই। ১৫৯২ চনৰ আদিভাগত যেতিয়া আমি তেওঁক লণ্ডনত আৱিষ্কাৰ কৰোঁ তেতিয়া তেওঁ অভিনেতা আৰু নাট্যকাৰহিচাবে থিতাপি লৈছেই। এই এন্ধাৰ কালডোখৰ লৈ কল্পনা-জল্পনা বহুতো কৰা হৈছে। শ্বেক্‌ছপিয়াৰৰ সৈতে পৰিচয় থকা লোক এজনৰ পুতেকৰ পৰা শুনি অব্রি নামে পণ্ডিত এজনে পিচত মন্তব্য এটি কৰিছিল; এই মন্তব্যটোত কিছু সত্য আছে যেন লাগে—"বেন্ জনছনে যদিও কৈছে যে তেওঁ অলপ লেটিন আৰু তাতকৈও কম গ্রীক জানিছিল, তেওঁ লেটিন ভালকৈয়ে বুজি পাইছিল, কিয়নো আগবয়সত তেওঁ মফছলত মাষ্টৰী কাম কৰিছিল।" আধুনিক গৱেষণাই শ্বেক্‌ছপিয়াৰে এই সময়ত সমুদ্র-যাত্রা কৰি ইটালি আদি দেশত ফুৰা বুলিও সিদ্ধান্ত কৰিব খোজে। তেওঁ যে কোনো আইন অফিছত কিছুদিন চাকৰি কৰিছিল নাইবা উকিলৰ সহকাৰীহিচাবে কাম কৰিছিল এনে সিদ্ধান্তও নাটকবিলাকৰ বিশ্লেষণৰ পৰা কৰিব পাৰি।

শ্বেক্‌ছপিয়াৰে কিছুদিন মাষ্টৰী কৰা আচৰিত নহয়, কিন্তু আঠাইশ বছৰ বয়সতে তেওঁ ৰঙ্গমঞ্চসম্বন্ধে যি অভিজ্ঞতা দেখুৱালে তালৈ চাই এই এন্ধাৰ কালডোখৰতে তেওঁ কোনোবা থিয়েটাৰ কোম্পানীত যোগ দিয়াও অসম্ভৱ নহয়। সি যি নহওক, লণ্ডনত অভিনেতাসকলৰ মাজত তেওঁ যি প্রতিপত্তি লাভ কৰিলে ওপৰত উল্লেখ কৰি অহা ৰবার্ট গ্রীনৰ মন্তব্যটোতে তাৰ আভাস পোৱা যায়। ৰবার্ট গ্রীনে ৰব বেজাৰত তেওঁৰ নাটক ব্যৱহাৰ কৰা

কোম্পানীৰ অকৃতজ্ঞতা আৰু এই 'বৰ মতা' শ্বেক্‌ছপিয়াৰৰ ওস্তাদীৰ কথা তেওঁৰ বন্ধু তিনিজনক আঙুলিয়াই দেখুৱাইছিল। কিন্তু শ্বেক্‌ছপিয়াৰৰ সপক্ষে কোৱা মানুহৰো অভাৱ নাছিল। হেনৰি চেট্‌ল নামে এজনে এবছৰমানৰ পাচতে গ্ৰীনৰ ৰচনা প্ৰেছত দিবৰ সময়ত মন্তব্য কৰিছিল এইদৰে যে গ্ৰীনৰ অন্যায় মন্তব্যটোৰ কাৰণে তেওঁ দায়ী হব নোখোজে। কিয়নো শ্বেক্‌ছপিয়াৰৰ ভদ্ৰ ব্যৱহাৰ আৰু ৰচনা শক্তি তেওঁ লক্ষ্য কৰিছে, তাৰ উপৰি কেইবাজনো সম্ভ্ৰান্ত লোকে তেওঁৰ সাধু স্বভাৱ আৰু ৰচনাৰ মাৰ্জ্জিত গুণৰ কথা স্বীকাৰ কৰিছে।

( ৩ )

১৫৯৪ চনৰ শেহত শ্বেক্‌ছপিয়াৰ লৰ্ড চেম্বাৰলেইন নামৰ ৰাজ-বিষয়াৰ থিয়েটাৰ কোম্পানীৰ সভ্য আৰু এই সময়লৈকে তেওঁ প্ৰায় এঘাৰখন নাট ৰচিছে। এইবিলাকৰ মাজত 'ডি কমেডি অৱ এৰৰছ', 'এ মিড্‌চামাৰ নাইট্‌ছ ড্ৰীম', 'ৰোমিও এণ্ড জুলিয়েট', ইত্যাদি। নাটবিলাকৰ সৰহ ৰঙ্গনাট বা কমেডি। নাটকবিলাকৰ আখ্যানভাগ প্ৰায়ে আন ঠাইৰ পৰা সংগ্ৰহ কৰা, কিন্তু সকলোতে শ্বেক্‌ছপিয়াৰৰ কল্পনা, কবিত্ব শক্তি, আৰু নাৰীচৰিত্ৰ গঠনৰ ক্ষমতা। গুৰিৰে পৰা শ্বেক্‌ছপিয়াৰে জীৱনৰ সুখ-দুখকে তেওঁৰ ৰচনাৰ উঁহ কৰি লৈছিল। সেই কাৰণে প্ৰেম-চাতুৰী, হাস্য-পৰিহাস, ভেশছন আদিৰে জলমলাই থকা নাট 'কমেডি অৱ এৰৰছ'-অতো ইজিয়নৰ জীৱন ৰক্ষা পৰেনে নপৰে এই জটিল অৱস্থাটোত যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। এইখন নাটকৰ 'ভ্ৰমৰঙ্গ' নামে অসমীয়া অনুবাদ ওলাইছে। 'এ মিড্‌ছামাৰ নাইট্‌ছ ড্ৰীম' ৰাজসভাৰ পৰিবেশত ৰচিত, আৰু আখ্যানৰ জটিলতা, ঠাঁচৰ ক্ষিপ্ৰতা, আৰু

মানুহৰ প্ৰেমৰ কাষে কাষে পৰীৰ ৰাজ্যৰ অৱেৰন আৰু টাইটানিয়াৰ খৰিয়াল আদিৰ পৰিবেশনে নাটকখন অতি আমোদজনক কৰিছে। এই নাটকখনৰ ৰচনাত শ্বেক্‌ছপিয়াৰৰ ঠাঁচৰ ত্ৰুটিমান লক্ষণ দেখা যায়। ৰজা আৰু ৰাণীয়ে অমিত্ৰাক্ষৰ ছন্দত কথা কয়, প্ৰণয়ীয়ে কয় ৰাইম থকা পদ-ছন্দত, পৰীবিলাকে বেচি কাব্যিক পাতল ছন্দত, চহা বা ইতৰজনে গদ্যত। এইদৰে মানুহ বা পদৰী লৈ বেলেগ বেলেগ ছন্দ। বিশেষকৈ নাটকৰ ঘাই চৰিত্ৰই বা আন চৰিত্ৰয়ো অৱস্থা-বিশেষে গহীন অমিত্ৰাক্ষৰ ছন্দত উক্তি কৰা আৰু ইতৰজনে গদ্য প্ৰয়োগ কৰা পিচলৈও শ্বেক্‌ছপিয়াৰৰ বিশেষত্ব হৈ পৰিল। অমিত্ৰাক্ষৰ ছন্দই শ্বেক্‌ছপিয়াৰৰ হাততে পৰিপক্বতা লাভ কৰে। ইংৰাজী ভাষাত এই ছন্দৰ প্ৰতিপত্তি আজিও কমা নাই।

শ্বেক্‌ছপিয়াৰৰ আগবয়সৰ নাটবিলাকৰ ভিতৰত 'দ্বিতীয় ৰিচাৰ্ড', 'তৃতীয় ৰিচাৰ্ড' আদি নাটক লক্ষ্য কৰিব লাগে। কিয়নো আগৰ নাটবিলাকে যেনেকৈ তেওঁক তেওঁৰ পথপ্ৰদৰ্শকহিচাবে লিলি আদি নাট্যকাৰলৈ লৈ যায়, তেনেকৈ বুৰঞ্জীৰ ৰজা বা শাসনকৰ্ত্তা কেন্দ্ৰ কৰি ৰচা নাটকৰ আৰ্হি দেখুৱাওঁতাহিচাবে তেওঁ ঘাইকৈ মাৰ্লোৰ ওচৰ পায়গৈ।* মাৰ্লোৱে 'দ্বিতীয় এডৱাৰ্ড'ত ইংলণ্ডৰ বুৰঞ্জীৰ পৰা সমল লৈছিল। শ্বেক্‌ছপিয়াৰৰ 'দ্বিতীয় ৰিচাৰ্ড'ৰ ৰিচাৰ্ড আৰু মাৰ্লোৰ এডৱাৰ্ড চৰিত্ৰহিচাবে একেধৰণৰ—দুয়ো ৰজাহিচাবে অক্ষম, দুয়োকে অকামিলা বিষয়াই আওপথে নিয়ে, দুয়ো ৰাইজৰ পৰা জোৰকৈ ধন আহৰণ কৰে, দুয়োৰে সাধাৰণ কাণ্ডজ্ঞান নাই, দুয়ো সিংহাসন হেৰুৱায়, আৰু দুয়োকে বন্দীশালত হত্যা কৰা হয়। দুয়োখন নাটকৰে ওচৰ সম্বন্ধ, কিন্তু মাৰ্লোৰ এডৱাৰ্ডে যি ক্ষেত্ৰত ধ্বংসৰ সমুখত নিজৰ মনৰ লাগাম টানি উদ্ধাৰ পাবলৈ চেষ্টা কৰিলে সেই ক্ষেত্ৰত ৰিচাৰ্ডে তেনে একো নকৰিলে। কিয়? ৰিচাৰ্ডৰ

---

* পিটাৰ আলেক্‌জেণ্ডাৰ আদি পণ্ডিতে অৱশ্যে মাৰ্লোক সিমানখিনি গৌৰৱ দিব নোখোজে।

পৰাজয় আৰু ধ্বংসৰ উঁহ নিজৰ প্ৰকৃতিতে, নিজৰ প্ৰকৃতিয়ে তেওঁৰ ধ্বংসৰ মূল। অৰ্থাৎ শ্বেক্‌ছপিয়াৰে চৰিত্ৰৰ ভিতৰত থকা দুৰ্ব্বলতা আৰু সেই দুৰ্ব্বলতা আৰু বাস্তৱৰ সংঘাতত সৃষ্টি হোৱা বিৰোধ দেখুৱাবলৈ প্ৰয়াস পালে। যাৰ যেনে প্ৰকৃতি তাৰ তেনে ভোগ। প্ৰকৃতি যদি এইধৰণৰ কৰ্ম্ম বা ফলাফলো এই ধৰণৰ, প্ৰকৃতি যদি সেইধৰণৰ তাৰ ফলাফলো তাৰ লগত সামঞ্জস্য থকা। শ্বেক্‌ছপিয়াৰে নাটকত মনস্তত্ত্ব সুমুৱালে। 'তৃতীয় ৰিচাৰ্ড'তো এই কথাৰ সাক্ষ্য পোৱা যায়। বুৰঞ্জীৰ পৰা আহিলা লৈ পিচত শ্বেক্‌ছপিয়াৰে 'চতুৰ্থ হেনৰি', 'পঞ্চম হেনৰি' আদি কেইবাখনো নাট ৰচে। 'চতুৰ্থ হেনৰি'ৰ বিশেষত্ব হ'ল ফল্‌ষ্টাফ নামে পেটুৱা ৰবকথকী খুহুটীয়া চৰিত্ৰৰ আবিৰ্ভাৱ। চৰিত্ৰ-অঙ্কনত শ্বেক্‌ছপিয়াৰ কিমান পকা হৈ আহিছিল তাৰ সাক্ষ্য ফল্‌ষ্টাফে দিয়াৰ উপৰিও এই চৰিত্ৰ ইমান জটিল, ইমান আকৰ্ষণীয়, ইমান খুহুটীয়া যে তাৰ ৰিজনি নাই। চতুৰ্থ হেনৰি এজিনকোৰ্টৰ যুদ্ধত ফৰাছীসকলক পৰাজিত কৰা জনপ্ৰিয় বীৰ আৰু সক্ষম শাসনকৰ্ত্তা। তেওঁৰ পুত্ৰ ৰাজকুমাৰ হেনৰিয়ে ৰাজসভাৰ বাধ্য-বাধকতা নেওচি মুকলিমূৰীয়াভাৱে দোস্ত-সকলৰ লগত আড্ডা দি ফুৰে। আড্ডা দিয়ে মদৰ দোকানৰ সস্তীয়া লোকৰ লগত ; ফল্‌ষ্টাফ তেওঁৰ অন্তৰঙ্গ বন্ধু। ফল্‌ষ্টাফে নাটকখনত হেনৰিক ছাঁত থৈ দৰ্শকৰ অন্তৰত তোলপাৰ লগালে। মদৰ পিপা অথচ তীক্ষ্ণবুদ্ধি ফল্‌ষ্টাফ অসৎ বা অপৰাধী নহয়, কিন্তু সম্মান, বিশ্বাস—এইবিলাক কথা তেওঁৰ অভিধানত নাই। মুখত তেওঁৰ আখৈ ফুটে আৰু প্ৰতি শাৰীতে হাস্যৰসৰ সমল। 'চতুৰ্থ হেনৰি'ৰ দ্বিতীয় খণ্ডৰ তৃতীয় অঙ্কত এঠাইত চিপাহী কামৰ কাৰণে মানুহ কেইজনমান ধৰি অনা হৈছে, এনে সময়তে চাৰ জন ফল্‌ষ্টাফ আহি পালে। ফল্‌ষ্টাফে মানুহকেইজনক জেৰা কৰিছে এইদৰে—

ফল্—তোৰ নাম মোল্ডিনে ?

মোল্ডি—হয়, ডাঙৰীয়া।

ফল্—তোক সৰহকৈ ব্যৱহাৰ কৰা দৰ্কাৰ।

শেলো—আঃ আঃ আঃ, বঢ়িয়া। সঁচাকৈয়ে, ব্যৱহাৰ নহলেই বস্তু 'মোল্ডি' হয়। বঢ়িয়া কৈছে, চাৰ জন—

ফল্—ইয়াক ভৰ্ত্তি কৰক।

মোল্ডি—আগেয়েও মোক ভৰ্ত্তি কৰা হৈছিল, মোক এৰি দিব পাৰিলেহেঁতেন—ঘৰৰ কাম পথাৰৰ কাম কৰি মোৰ বুঢ়ীৰ এতিয়া আধ্যা পৰিব—

ফল—হৈছে হৈছে, মোল্ডি, তোক খতম কৰা যুগুত।

মোল্ডি—খতম।

শেলো—চুপ চুপ। ... চাইমন শেডো।

ফল্—এৰা, হুঁ, ই মাটিতে বহক; ই চিপাহী দেখোন পাতল হব।

শেলো—শেডো আহিলনে ?

শেডো—হয় ডাঙৰীয়া।

ফল্—শেডো, তই কাৰ পুতেক ?

শেডো—মোৰ আইৰ পুতেক, ডাঙৰীয়া।

ফল্—তোৰ আয়েৰৰ পুতেক। এৰা, আৰু তোৰ বাপেৰৰ ছাঁঃ সেয়েহে মাইকীৰ পুতেক মতাজনৰ ছাঁ ঃ সঁচাকৈয়ে, কিন্তু বাপেৰৰ বস্তু তোৰ সৰহ নাই।

শেলো—ইয়াৰে হৰনে ডাঙৰীয়া ?

ফল্—জহকালি ছাঁ কামত লাগিব—ভৰ্ত্তি কৰক, কিয়নো কেতবোৰ ছাঁ লৈ আমাৰ তালিকা পূৰ কৰিবই লাগিব।

শেক্‌ছপিয়াৰৰ হাস্যৰসৰ এটি সমল—দ্ব্যৰ্থবাচক শব্দৰ প্ৰয়োগ এই অনুবাদখিনিত দেখা যায়। মোল্ডি মানে অব্যৱহাৰত ভেকুৰা বা শেলুৱৈ বন্ধা; মানুহজনৰ নাম মোল্ডি, তাৰ কামো মোল্ডি। শেডো মানে ছাঁ, ছাঁ মাটিত পৰে; মানুহজনৰ নাম শেডো, সি বাপেকৰ চেবেলা বংশধৰ আৰু সি মাটিত বহে; আকৌ চিপাহী ভৰ্ত্তিৰ তালিকাতো অকামিলা ছাঁ এসোপাৰ নাম। 'পঞ্চম হেনৰি'ত

ফল্‌ষ্টাফক বাদ দিয়া হ'ল, তেওঁ বোলে মৰিল! ফল্‌ষ্টাফক বাদ দিব লাগিল নতুন ৰজা পঞ্চম হেনৰিৰ চৰিত্ৰত গাম্ভীৰ্য্য দিবলৈ, তেওঁতো আৰু এতিয়া মদৰ দোকানৰ দোস্তসকলৰ লগত চুপতি মাৰি ফুৰিব নোৱাৰে! কিন্তু শ্বেক্‌ছপিয়াৰৰ বিখ্যাত চৰিত্ৰ আধা-ডজনৰ ভিতৰত ফল্‌ষ্টাফৰ নাম নধৰিলে নচলে।

শ্বেক্‌ছপিয়াৰৰ ৰঙ্গনাটবিলাকৰ ভিতৰত 'মাচ্ছ এডো এবাউট নাথিং', 'এজ ইউ লাইক ইট' আৰু 'টোৱেলফ্‌থ্‌ নাইট'ৰ অতি সম্মান। 'এজ ইউ লাইক ইট' 'চন্দ্ৰাৱলী' নামত অসমীয়াত ৰূপান্তৰিত হৈছে। এইকেইখন ষোড়শ শতিকাৰ শেহ দশকত ৰচিত। বুদ্ধি আৰু ৰূপৰ ভাণ্ডাৰ অথচ মাৰ্জ্জিত, পৰিহাসপটু নাৰী-চৰিত্ৰৰ কাৰণে এই ৰঙ্গনাটকেইখন পাহৰিব নোৱাৰি। তাৰ উপৰি সেই সময়ৰ ডা-ডাঙৰীয়াসকলৰ পৰিয়ালত বাস কৰা বহুৱা বা 'ফুল' বোলা এশ্ৰেণী ধেমেলীয়া চৰিত্ৰৰ উপস্থাপন এই নাটকৰ বৈশিষ্ট্য। এই নাটকেইখনে কিছু পৰিমাণে শ্বেক্‌ছপিয়াৰৰ জীৱন-দৰ্শনৰো আভাস দিয়ে। ইয়াত প্ৰকৃতিৰ বুকুত আপডাল পোৱা মুকলিমুৰীয়া সৰল জীৱনৰ প্ৰতি নাট্যকাৰৰ মোহ দেখা যায়, আৰু সাধাৰণ অৱস্থাত বা সামাজিক জীৱনত যে নাৰীকে কেন্দ্ৰ কৰি সুখ-সন্তোষ গঢ়ি উঠে এই সিদ্ধান্তটোও ওলাই পৰে। প্ৰত্যেকখন নাটৰে কেন্দ্ৰত আছে বুদ্ধিমতী, ৰূপৱতী এগৰাকী তিৰোতা; এই তিৰোতাকে কেন্দ্ৰ কৰি নাটকৰ কাৰ্য্যাৱলী চলিছে; পুৰুষ চৰিত্ৰবিলাককো যেন এই নাৰী-কেইগৰাকীয়েহে সজীৱ কৰি তুলিছে। 'টোৱেলফ্‌থ্‌ নাইট' ৰঙ্গনাটৰ আখ্যানভাগ চমুকৈ দিয়া গ'ল। নাটকখনৰ কাহিনীটো মূলত ইটালীয় গল্প এটিৰ পৰা লোৱা—

ইলিৰিয়াৰ ওচৰত চেবাষ্টিয়ান আৰু ভায়োলা—দুই যঁজা ভাই-ভনী জাহাজ বুৰি এৰা-এৰি হয়। ভায়োলাক নাৱত উদ্ধাৰ কৰা হয়, আৰু পাৰলৈ আহি তেওঁ মতাৰ সাজত চিজাৰিও নাম লৈ ডিউক ওৰচিনোৰ লিগিৰা হয়। ওৰচিনোৱে অলিভিয়া নামেৰে মহিলা

এগৰাকীক ভাল্ পায়, কিন্তু মহিলাগৰাকীয়ে তেওঁক আওকান কৰে। ওৰচিনোৱে চিজাৰিওক সকলো কথাৰ সম্ভেদ দিয়ে আৰু মহিলা-গৰাকীৰ অন্তৰ কোমলাবলৈ তেওঁক দূত কৰি পঠিয়ায়। ইফালে চিজাৰিও বিমোৰত পৰিছে, কিয়নো তেওঁ নিজে ডিউকৰ প্ৰণয়-প্ৰাৰ্থী। অলিভিয়া আকৌ দূত চিজাৰিওৰ প্ৰেমত পৰে। চেবাষ্টিয়ান আৰু তেওঁক উদ্ধাৰ কৰা জাহাজৰ কেপ্তেইন এণ্টনিও ইলিৰিয়াত আহি উপস্থিত হয়। চাৰ এণ্ড্ৰু এগুচিক নামে এজনে অলিভিয়াৰ প্ৰেমৰ পৰা বঞ্চিত হৈ চিজাৰিওক দ্বন্দ্ব-যুদ্ধলৈ আহ্বান কৰে। চিজাৰিওক চেবাষ্টিয়ান বুলি ভ্ৰম কৰি এণ্টনিওই তেওঁক তেওঁৰ দুৰ্গতিৰ পৰা ত্ৰাণ কৰে। এনে সময়তে আগেয়ে কৰি থকা অপৰাধৰ কাৰণে এণ্টনিওক চিপাহীয়ে গ্ৰেপ্তাৰ কৰে; তেওঁ চেবাষ্টিয়ানক থবলৈ দিয়া ধনৰ মোনাখন চিজাৰিওক খোজে। চিজাৰিওৱে দিব নোৱাৰাত এণ্টনিওক বন্দীশাললৈ লৈ যোৱা হয়। অলিভিয়াই চেবাষ্টিয়ানক লগ পাই চিজাৰিও বুলি ভ্ৰম কৰি ঘৰলৈ লৈ যায় আৰু প্ৰণয় যাচি বিয়া কৰি পেলায়। ওৰচিনো অলিভিয়াৰ ঘৰলৈ ফুৰিবলৈ আহে। এণ্টনিওক তেওঁৰ সমুখত ভেট কৰা হয়, আৰু চিজাৰিওক দেখি সাগৰৰ পৰা উদ্ধাৰ কৰা ডেকাজন বুলি এণ্টনিওই তেওঁক দাবী কৰে; অলিভিয়াইয়ো স্বামী বুলি চিজাৰিওক এৰি নিদিয়ে। ডিউকে বৰ বেজাৰত অলিভিয়া আৰু 'ভণ্ড তপস্বী' চিজাৰিওৰ পৰা মেলানি মাগে আৰু এনে সময়ত আচল চেবাষ্টিয়ান আহি পায়, আৰু সকলো জটিলতা উৰলি যায়। ডিউকে অলিভিয়াক নাপাই ভায়োলাৰ ( বা চিজাৰিওৰ ) তেওঁৰ প্ৰতি ওপজা প্ৰীতি লক্ষ্য কৰিব পাৰি তেওঁকে বিয়া কৰায়। এয়ে আখ্যান। হাঁহিৰ সমল ঘাইকৈ যোগায় কিছুমান অপ্ৰধান চৰিত্ৰই। নাটকখনত সুন্দৰ গান কেতবোৰো আছে। এইখন নাটকতে 'সঙ্গীত প্ৰেমৰ আহাৰ' এই বচনফাকি পোৱা যায়। নাটকখনৰ কাৰ্য্যাৱলী ঘাইকৈ অলিভিয়া আৰু ভায়োলাকে কেন্দ্ৰ কৰি চলিছে। সেইদৰে 'এজ ইউ

লাইক ইট'ৰ কাৰ্য্যাৱলী ৰোজালিণ্ড আৰু চিলিয়াক কেন্দ্ৰ কৰি চলিছে।

আগ বয়সৰ ট্ৰেজেডিৰ চানেকিস্বৰূপে 'ৰোমিও এণ্ড জুলিয়েট' আৰু 'জুলিয়াচ চিজাৰ' উল্লেখযোগ্য। 'ৰোমিও এণ্ড জুলিয়েট' এটি পুৰণি আৰু প্ৰখ্যাত কাহিনীৰ আলমত ৰচা। কাহিনীটোৰ আকৰ্ষণ বিশ্বজনীন, কিয়নো অহি-নকুল দুটি পৰিয়ালৰ দুগৰাকী আকৰ্ষণীয় নিৰপৰাধী ডেকা-গাভৰুৰ মনৰ বান্ধৰ সমুখত যি হেঙাৰ দেখা যায় সি আটাইৰে কৌতূহল উদ্ৰেক কৰে আৰু হিয়া আন্দোলিত কৰে। প্ৰেম-কাব্যহিচাবেও 'ৰোমিও এণ্ড জুলিয়েট'ৰ ওখ স্থান। এইখনৰ অসমীয়া অনুবাদ কৰিছে পদ্মধৰ চলিহাই 'অমৰলীলা' নাম দি। 'জুলিয়াচ চিজাৰ' পুৰণি ৰোমৰ বুৰঞ্জীৰ সহায়ত ৰচিত, আৰু ইয়াত ব্ৰুটাছ নামেৰে আদৰ্শবাদী পণ্ডিত এগৰাকীয়ে স্বদেশৰ হিতাৰ্থে পৰাক্ৰমী চিজাৰক হত্যা কৰি যি জটিল অৱস্থাৰ সৃষ্টি কৰিলে তাৰ বৰ্ণনা আছে। আদৰ্শবাদী চিন্তাশীল ব্ৰুটাছৰ চৰিত্ৰত পিছৰ হেমলেটৰ চৰিত্ৰৰ সংকেত পোৱা যায়। এই দুখনৰ লগত ৰঙ্গনাট 'মাৰ্চেণ্ট অৱ ভেনিচ' বা ভেনিচৰ সাউদৰ উল্লেখ কৰিব লাগে, কিয়নো ইহুদী শ্বাইলকৰ অহেতুক দুৰ্গতিয়ে আমাৰ মনত ৰঙ্গনাটৰ স্বাভাৱিক পৰিৱেশ সৃষ্টি নকৰে। যদিও সেই সময়ত খৃষ্টিয়ানসকলে ইহুদীক হেয় চকুৰে চাইছিল আৰু নাট্যকাৰে তাকেহে মাথোন দেখুৱাইছে, তথাপি আজিৰ যুগত শ্বাইলকক পৰাজিত আৰু পদদলিত জাতিৰ প্ৰতিনিধি যেনহে লাগে, আৰু ঘাই চৰিত্ৰ এণ্টনিওৰ সমস্যা-বোৰতকৈ শ্বাইলকৰ সমস্যাইহে আমাক বেছিকৈ বিচলিত কৰে।

## ( ৪ )

নাট্যকাৰহিচাবে শ্বেক্‌ছপিয়ৰৰ ঘাই গৌৰৱ ট্ৰেজেডিসমূহ। ষোড়শ শতিকাৰ সীমা পাৰ হৈ সপ্তদশ শতিকাৰ প্ৰথম দশক

সোমাওঁতেই শ্বেক্‌ছপিয়াৰে কিয় অন্তৰ-কঁপোৱা অভিজ্ঞতা কেতবোৰক ট্ৰেজেডি ৰূপ দিলে ইয়াৰ সমিধান বিচাৰি বহুতো জল্পনা-কল্পনা কৰা হৈছে। নিজৰ বিশেষ অভিজ্ঞতা নাথাকিলে কিছুমান বিষয় অন্তৰ-পৰশাকৈ ৰূপায়িত কৰিব নোৱাৰি। বাস্তৱ অভিজ্ঞতাৰ আলম লৈহে কল্পনাৰ সৌধ সাজিব পাৰি। সেইকাৰণে দুই-এক পণ্ডিতে ভাবে যে এই সময়ত শ্বেক্‌ছপিয়াৰৰ ব্যক্তিগত জীৱনত কিছুমান অপ্ৰিয় আৰু যাতনাদায়ক অভিজ্ঞতা লাভ হয় আৰু তেওঁ মানৱ জীৱনৰ সাৰ্থকতা লৈ চিন্তা কৰিবলগীয়া হয়। আন কিছুমান পণ্ডিতে সেই সময়ৰ চিন্তাধাৰাৰ প্ৰভাৱৰ কথা উলিয়ায়। হয়তো নৱাভ্যুদয় যুগৰ উৎসাহ উদ্দীপনা টুটি আহিছে, উদ্দীপনাৰ ঠাই লৈছে বিশ্লেষণ-শীলতাই, আৰু এতিয়ালৈকে যদি নাটকত ৰীজন বা বিচাৰ আৰু আবেগৰ মাজত বিবোধ দেখুওৱা হৈছিল, এতিয়াৰ পৰা কিছুদূৰ হল আবেগ আৰু আত্মসংযমৰ মাজত, আৰু এই নতুন বিবোধে দৈৱৰ আঘাতকো নিবৰ্থক কৰিলে। 'হেমলেট' নাটকখনতে এই কথাৰ চানেকি দেখা যায়।

নাটকখন ৰচা সম্পূৰ্ণ হৈছিল সম্ভৱ ১৬০১ চনত, আৰু ইয়াৰ সমস্যা হ'ল এইধৰণৰ—জন্মৰ লগে লগে মানুহে দুৰ্গতি ভুঞ্জে; এই দুৰ্গতি-যাতনা চম্ভালিবৰ উপায় কি? মানুহৰ একমাত্ৰ উপায় আত্ম-সংযম, মনৰ সংযম, কিয়নো জীৱনৰ ধাৰা মনৰ কাৰ্য্যৰ ওপৰতে নিৰ্ভৰ কৰে। হেমলেটৰ চৰিত্ৰ যাতনাত বুৰ গৈ আছিল, আৰু এনে অৱস্থাত আনে যেনে কৰে তেনেকৈ তেওঁ নিজক এই সীমাহীন বেজাৰত হেৰুৱাই পেলালে। হেমলেটে জানিছিল যে এই অৱস্থাৰ পৰা হাত সাৰিবৰ উপায় আছে, কিয়নো তেওঁেই মন্তব্য কৰিছিল, "সংসাৰত সৎ বা অসৎ একোৱেই নাই, মানুহৰ মনতহে তেনে তেনে ভাব।" অৰ্থাৎ, যুক্তি বা বিচাৰে দুৰ্গতিবিলাকৰ ব্যাখ্যা দিব নোৱাৰে, সংযমেহে সেইবিলাকৰ চোক আঁতৰাব পাৰে। নিৰ্ব্বিকাৰ দৃষ্টি আৰু কাৰ্য্য বা কৰ্ত্তব্য—এই দুই ঢাপৰ ওপৰত সেই যুগৰ চিন্তা

গঢ়ি উঠিছিল আৰু 'হেমলেট'তো ইয়াৰে প্ৰতিফলন দেখা যায়। সমলোচকসকলে হেমলেটৰ চৰিত্ৰ বিবিধধৰণে ব্যাখ্যা কৰিছে, আৰু হেমলেট যে এক বিশেষ ধৰণৰ লোক আৰু গুণাগঁথা আৰু হেহোঁ-নেহোঁ কৰাটোৱেই এওঁৰ প্ৰকৃতিৰ লক্ষণ এনে ভাব বহুতৰে মনত জাগে; কিন্তু চাবলৈ গ'লে হেমলেট আমাৰ সকলোৰে প্ৰতিভূ—সকলোৰে সংশয় ওপজে আৰু সকলোৱে সময়ত হেহোঁ-নেহোঁ কৰিবলৈ বাধ্য হওঁ। হেমলেটৰ সমস্যা আৰু সেই সমস্যাৰ সমাধানৰ যি সাৰ্থকতা সি বিশ্বজনীন।

'হেমলেট' নাটকৰ আহিলা পুৰণি বুৰঞ্জীমূলক প্ৰবাদৰ পৰা আহৰণ কৰা; তাৰ উপৰি এই বিষয়ত এখন পুৰণি নাটকো আছিল বুলি প্ৰমাণ পায়। নাটকৰ কাহিনী এনেকুৱা—ডেনমাৰ্কৰ সাধু প্ৰকৃতিৰ ৰজা এজনক তেওঁৰ ভায়েক ক্লডিয়াছে হত্যা কৰিলে; হত্যাকাৰীয়ে সিংহাসনত উঠি ৰাজকুমাৰ হেমলেটক আওকাণ কৰি লবা-ধপৰাকৈ তেওঁৰ মাক বিধবা গাৰট্ৰুডক বিয়া কৰায়। মৃত ৰজাৰ প্ৰেতাত্মাই হেমলেটক দেখা দি সকলো কথা জনাই ক্লডিয়াছৰ ওপৰত প্ৰতিশোধ দাবী কৰে। হেমলেটে প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰে; কিন্তু তেওঁৰ বিশ্লেষণশীল আৰু নিৰানন্দ মনে তেওঁক কৰ্ত্তব্যলৈ ঠেলি নিদিয়ে। ইতিমধ্যে নতুন ৰজাই তেওঁৰ চক্ৰান্তৰ ভু পায় বুলি তেওঁ বলিয়াৰ ভাও ধৰে। প্ৰধানমন্ত্ৰী পলনিয়াচৰ দুহিতা ওফিলিয়াৰ প্ৰতি দুৰ্ব্বলতাতে হেমলেটৰ এনে অৱস্থা হৈছে বুলি মানুহে ধৰি লয়। হেমলেটে কিন্তু এতিয়া ওফিলিয়াকো আঁতৰাই পঠিয়ায়। তেওঁ প্ৰেতাত্মাৰ কাহিনীটোৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ নাটক এখনৰ অভিনয় কৰায়; নাটকত কেনেকৈ আগৰ ৰজাক চোৰাংকৈ হত্যা কৰা হয়, কেনেকৈ তেওঁৰ ঘৈণীয়েকক নতুন ৰজাই বিয়া কৰায়, সেই সকলোবিলাক দেখুওৱা হয়, আৰু ক্লডিয়াছে নিজৰ দুৰ্ব্বলতা প্ৰকাশ কৰে। ইয়াৰ পাচত হেমলেটে মাকক ৰবকৈ গৰিহনা দিয়ে আৰু পৰ্দ্দাৰ আঁৰত ৰজাই শুনি আছে বুলি সন্দেহ কৰি তেওঁ তৰোৱালেৰে

খোঁচ মাৰি দিয়ে। ফলত লুকাই থকা পলনিয়াচ মৰে। ৰজাই এতিয়া হেমলেটক ধ্বংস কৰিবলৈ মন মেলি তেওঁক ইংলণ্ডলৈ পঠিয়ায় আৰু তাত হত্যা কৰাবৰ দিহা কৰে। কিন্তু বাটতে জলদস্যুৱে জাহাজ আক্ৰমণ কৰে আৰু হেমলেটক ঘৰলৈ ওভতাই পঠিয়ায়। ঘৰলৈ আহি ব্যৰ্থতা আৰু বেজাৰত ওফিলিয়া পানীত বুৰি মৰা বুলি তেওঁ জানিবলৈ পায়। ওফিলিয়াৰ ককায়েক লেয়াৰ্টিজে তেওঁৰ পিতৃহত্যাৰ হোৰ লবলৈ বাট চাই আছে। ৰজা ক্লডিয়াছে হেমলেট আৰু লেয়াৰ্টিজৰ মাজত তৰোৱাল-যুদ্ধৰ ব্যৱস্থা কৰে। লেয়াৰ্টিজে বিষাক্ত তৰোৱাল এখনেৰে হেমলেটক আঘাত কৰে কিন্তু মৰাৰ আগেয়ে হেমলেটেও লেয়াৰ্টিজক আঘাত কৰে আৰু ৰজাৰো বুকুত তৰোৱাল বহুৱায়। ইতিমধ্যে হেমলেটৰ কাৰণে সাজু কৰি থোৱা বিষাক্ত পানীয় একাপ পি ৰাণী গাৰট্ৰুডেও নৰলীলা ত্যাগ কৰে। এই হত্যাকাণ্ডৰ মাজত আখ্যান শেষ হয়।

হেমলেটে যেতিয়া স্বগতোক্তিত নিজৰ সংশয়বিলাকক ৰূপ দিব খোজে তেতিয়া শ্বেক্‌ছপিয়াৰে মনস্তাত্ত্বিক বিশ্লেষণৰ চূড়ান্ত পৰিচয় দিয়ে, কিয়নো এই স্বগতোক্তিবিলাকত মনৰ ওপৰৰ চিন্তাৰ লগতে অচেতন মনৰ ক্ৰিয়াৰ আভাসো ওলায়। ৰিনাচেঞ্চ যুগত মানৱৰ মহিমা আৰু সম্মানসম্পৰ্কে যি এটি নতুন ধাৰণা উপজিছিল তাৰ পৰিচয় শ্বেক্‌ছপিয়াৰে হেমলেটৰ মুখেৰেই দিছে—

> কি অপূৰ্ব বস্তু মানুহ; বিচাৰত কেনে মহান, প্ৰতিভাত কেনে সীমাহীন; আকৃতি আৰু গতিত, কাৰ্য্যত কেনে স্পষ্ট আৰু প্ৰশংসনীয়; বোধত কেনে দেৱদূততুল্য; কেনে দেৱতাৰ দৰে। সংসাৰৰ সৌন্দৰ্য্য, জন্তুৰ ভিতৰত উত্তম।…(২.২)

আন এঠাইত হেমলেটে সেই সময়ত আদৰ্শ মানৱ কি ধৰণৰ আছিল তাৰ সঙ্কেত দিয়ে—

> সিয়োনে মানুহ যাৰ ঘাই কাম হ'ল মাথোন শোৱা আৰু খোৱা? পশু মাথোন, তাতকৈ বেছি নহয়। যি আমাক ইমান বিচাৰৰ

ভঁৰাল কৰি আগ-পাচ গুণিব পৰাকৈ সৃষ্টি কৰিলে, তেওঁ আমাক সেই শক্তি আৰু স্বৰ্গীয় বিচাৰ অব্যৱহাৰত নাশ পাবলৈ দিয়া নাই।……(৪.৪)

'হেমলেট' নাটকত নাৰী-চৰিত্ৰৰ প্ৰাধান্য নাই; বস্তুতঃ গহীন ট্ৰেজেডিকেইখনত ব্যক্তিত্বশালী পুৰুষৰে ঘাই স্থান। হেমলেটৰ চৰিত্ৰত মানবৰ অন্তৰৰ ক্ৰিয়াৰ বিশ্লেষণ; 'কিং লিয়াৰ' নাটকৰ বুঢ়া লিয়াৰৰ চৰিত্ৰত ব্যক্তি আৰু সমাজৰ মাজত থকা সম্বন্ধৰ চিত্ৰণ; কিন্তু লিয়াৰৰ ব্যক্তিত্ব একহিচাবে হেমলেটৰ চৰিত্ৰতকৈ বেছি বিশ্বজনীন। কিয়নো ঘৰুৱা আৰু সামাজিক জীৱনৰ সীমা ডেই লিয়াৰ ধ্বংস আৰু বিশৃঙ্খলাৰ প্ৰতীকহিচাবে গোটেই নিসৰ্গ-জগতৰ সমুখত এক দুৰ্দ্দান্ত বিদ্ৰোহীৰূপে থিয় হয়। লিয়াৰ ৰজা; সমাজৰ, ৰাজ্যৰ শৃঙ্খলা তেওঁৰ ওপৰত ন্যস্ত। লিয়াৰ পিতৃ; পিতৃয়ে সন্তানক স্বাভাৱিকভাবে ব্যৱহাৰ কৰিব লাগে। তেওঁ তিনিজনী জীয়েকৰ তেওঁৰ প্ৰতি থকা মৰম ওজন কৰিবলৈ গৈ এজনীক আঁতৰাই পঠিয়াই আন দুজনীৰ মাজত ৰাজ্য ভগাই দিলে।

দুয়োটা কামেই অস্বাভাৱিক; ফলত লিয়াৰে অকৃতজ্ঞতা পোৱাৰ উপৰিও যিজনীক আঁতৰাই পঠিয়াইছিল সেই সৎ কৰ্ডেলিয়াৰ প্ৰতি কৰা অন্যায় ব্যৱহাৰৰ কাৰণে বিবেকৰ তাড়নাও লাভ কৰিলে। ঘৰ সমাজ ত্যাগ কৰি গভীৰ বিতৃষ্ণাত তেওঁ মাজপথাৰৰ ভগা কুটীৰত আশ্ৰয় ললেগৈ, তেওঁৰ সঙ্গী হ'ল এক আধাবলিয়া মগনিয়াৰ, আৰু ওপৰত, ধুমুহাৰ তাণ্ডৱলীলা। তেওঁ সমাজত যি বিশৃঙ্খলাৰ সৃষ্টি কৰিলে তাৰ চানেকি দেখিলে প্ৰকৃতিৰ বুকুত। ৰাগ-দুখত আধা-বলিয়া হোৱা লিয়াৰে গৰ্জ্জন কৰি উঠিল—

কোবা, ধুমুহা, কোবা, বল,
হে বৰ্ষণ, হে তাণ্ডৱ, ঢাল,
বুৰাই দে আমাৰ অট্টালিকা, ঘৰৰ চাল।
হে গন্ধকময় ভৰামাত্ৰে কাম কৰা অগ্নি,

ওকগছ চিৰি পেলোৱা বজ্রপাত,
মোৰ পকাচুলি পুৰি দে, আৰু হে সৰ্ব্বধ্বংসী বজ্র,
সংসাৰৰ নোদোকা গড় চেপেটা কৰ,
স্বভাৱৰ সাঁচ থেতেলিয়াই দে, সম্বন্ধ ওকৰাই দে
—যি মানুহক ইমান অকৃতজ্ঞ কৰে। (৩.২)

'কিং লিয়াৰ' এক মহান কাব্য; অভিজ্ঞতাৰ কি সতেজ চিত্রণ, ভাষা আৰু আবেগৰ কি তেজোময় প্রকাশ, পৰিত্যক্ত বুঢ়া লিয়াৰৰ কি বিদ্রোহ—সকলো গোট খাই কিতাপখন অতুলন হৈ পৰিছে। 'ফুল' বহুৱা চৰিত্রৰো এই নাটকতে চৰম বিকাশ দেখা যায়। এই বহুৱাৰ কাৰ্য্য হাঁহি তোলোৱা নে সমবেদনাৰ সূতাত লিয়াৰৰ সৈতে বান্ধ খাই বুঢ়া ৰজাৰ ক্রটীবিলাক আঙুলিয়াই দেখুওৱা ক'বলৈ টান। শ্বেক্ছপিয়াৰৰ প্রথম বয়সৰ 'ৰোমিও এণ্ড জুলিয়েট' আদি নাটকৰ ভাষাত আড়ম্বৰ বা বিলাস অলপ বেছি; পিছলৈ 'কিং লিয়াৰ' আদিত সি যথেষ্ট সংযত আৰু ভাব-ঘন হয়। কেতিয়াবা দুটিমান শব্দৰ জৰিয়তেই গভীৰ অনুভূতি অন্তৰপৰশাকৈ প্রকাশ কৰা হয়। লিয়াৰৰ বাগ-বিৰক্তিৰ জুই যেতিয়া নুমাল তেতিয়া অৱশ বুঢ়াই কাষতে দেখিবলৈ পালে অৱহেলিত কৰ্ডেলিয়াক। তেতিয়া অৱশ্যে তেওঁৰ মস্তিষ্ক সুস্থ অৱস্থাত নাই, তথাপি মনৰ স্নেহকীয়া পোহৰত জীয়েকক চিনিবলৈ পাই তেওঁ লাহেকৈ কয়—

মোক নাহাঁহিবা বাছাইত,
কিয়, মই যদিহে মানুহ, এই মহিলাগৰাকী দেখোন
মোৰ ছোৱালী কৰ্ডেলিয়া।

কৰ্ডেলিয়াই সমিধান দিয়ে—এৰা হয়, হয়।

অকৃতজ্ঞতা, নৰহত্যা, পাপ আৰু মানুহৰ মন আৰু নিসর্গ-জগত দুয়োতে ভৰি থকা ধুমুহাৰ শেহত সমুখত মৰণক লৈ পিতা-পুত্রীৰ এই মিলন অতি স্নিগ্ধ, অতি কৰুণ। 'কিং লিয়াৰ'ক কিছু লৰচৰ কৰি 'অশ্রুতীর্থ' নামত অসমীয়া কৰা হৈছে।

নাটকহিচাবে চুটি অথচ গাঁথনিৰ ফালৰ পৰা উত্তম 'মেক্‌বেথ'ক বহুতে শ্বেক্‌ছপিয়াৰৰ শ্ৰেষ্ঠ নাটক বুলি কয়। দুৰাকাঙ্ক্ষা কেন্দ্ৰ কৰি এই নাটকৰ কাৰ্য্যাৱলী চলিছে। এইখন নাটকৰ অসমীয়া ৰূপান্তৰ 'ভীমদৰ্প'। মেক্‌বেথে সিংহাসনৰ আশাত ঘৈণীয়েকৰ ফুচুলনিত পৰি তেওঁৰ ৰজা আৰু আলহী ডান্‌কানক হত্যা কৰে। তাৰ পিচত তেওঁৰ নানাৰকমৰ বিপত্তি আৰু মানসিক তাড়না। পৰাজয় আৰু মৰণৰ আগখিনিত তেওঁক তুলি ধৰা ঘৈণীয়েকৰ মৃত্যুৰ সংবাদত অত্যন্ত অকলশৰীয়া বোধ কৰি তেওঁ ভাবে, ৰাণী পিচত মৰাহেঁতেননো কি হ'লহেঁতেন, আৰু এই ভাবে তেওঁক সমগ্ৰ মানব-জীৱন এক নতুন ধৰণে চাবলৈ শিকায়—

তেওঁ মৰিব লাগিছিল পিচত ;
এনে সংবাদৰ কাৰণে আৰু সময় আছিল,
কালিলৈ, আৰু কালিলৈ, আৰু কালিলৈ,
এই ধীৰ পদক্ষেপত বগাইছে দিনৰ পাচত দিনকৈ
হিচাব থকা কালৰ শেহ আখৰলৈ ;
আৰু আমাৰ কালি আটাইবিলাকে মূৰ্খক
মাথোন পোহৰ দেখুৱাইছে
ধূলিময় মৃত্যুৰ বাটত। নুমা, নুমা, খন্তেকৰ চাকি !
জীৱন মাথোন খোজ কঢ়া ছাঁ। অসাৰ্থক অভিনেতা
যি ৰঙ্গমঞ্চত তাৰ কালখিনি ছট্‌ফটাই কটায়,
তাৰ পাচত আৰু শুনা নাযায় ঃ ই এক কাহিনী
যাক কয় গজমূৰ্খ ই, শব্দাবম্বৰে ভৰা,
সাৰ্থকতা হলে একণিও নাই। (৫.৫)

এই উক্তিত 'কালিলৈ' বিশেষ্য, ইংৰাজী 'টুমৰো'। মেক্‌বেথ ভাবি চালে দুৰাকাঙ্ক্ষী অপৰাধী, নৰহত্যাকাৰী। তথাপি শ্বেক্‌ছপিয়াৰৰ এনে দক্ষতা যে এনে মানুহৰ প্ৰতিও তেওঁ আমাৰ সহানুভূতি আকৰ্ষণ কৰিব পাৰে। এক গভীৰ মানবিকতা ইয়াৰ

গুৰিতে আছে। দোষী দোষী হব পাৰে, পাপী পাপী হব পাৰে, কিন্তু দোষী পাপীও মানুহ, সিহঁতৰো যাতনাবোধ আছে, বিবেকৰ কণা আছে, আৰু যেতিয়া সাধাৰণ অৰ্থত ঘৃণনীয় লোকেও যাতনাৰ কষটি-শিলত ঘঁহনি খাই নতুন জ্ঞানেৰে চহকী হৈ জীৱন নতুন চকুৰে চাবলৈ শিকে তেতিয়া সেই লোকক আমি স্বাভাৱিকতে শ্ৰদ্ধা জনাওঁ, সমবেদনা জনাওঁ। মেক্‌বেথৰ মুখত যি চিন্তাশীলতাই কাব্যিক ৰূপ পাইছে সিও তেওঁৰ ব্যক্তিত্বৰ পৰিসৰ বঢ়াইছে। এই চৰিত্ৰবিলাকৰ মুখৰ উক্তিতে শ্বেক্‌ছপিয়াৰৰ কবিত্ব শক্তিৰ পৰিচয় ওলায়। এই কবিতা এনেয়ে অলঙ্কাৰহিচাবে মুখত লগাই দিয়া নহয়, অৱস্থাৰ তাড়না আৰু প্ৰকৃতিৰ লগত তাৰ সম্বন্ধ আছে। 'কিং লিয়াৰ' আৰু 'মেক্‌বেথ'ৰ ভাষাৰ গাম্ভীৰ্য্য আৰু যাতনাবোধৰ ঘনত্বই পুৰণি গ্ৰীচৰ নাট্যকাৰ এস্কিলাচৰ ৰচনা মনলৈ আনে।

শ্বেক্‌ছপিয়াৰৰ ট্ৰেজেডিৰ ভিতৰত 'ওথেলো', 'এণ্টনি এণ্ড ক্লিওপেট্ৰা' আৰু 'কৰিওলেনাছ' আদিৰো ওখ ঠাই। 'ওথেলো' দাম্পত্য-জীৱন কেন্দ্ৰ কৰি ৰচা আৰু ইয়াৰ কাব্যিক গুণো কম নহয়। এলিজাবেথীয় যুগৰ নাটকত এশ্ৰেণী দুৰ্জ্জন চৰিত্ৰ দেখা যায়, 'ওথেলো'ত শ্বেক্‌ছপিয়াৰৰ শ্ৰেষ্ঠ দুৰ্জ্জন ক্ৰুৰ ইয়াগোৰ সৈতে আমাৰ পৰিচয় হয়। এইখন নাটকৰ অসমীয়া ৰূপান্তৰ শৈলধৰ ৰাজখোৱাৰ 'ৰণজিত' (অপ্ৰকাশিত); এসময় ৺ব্ৰজ শৰ্ম্মাৰ পাৰ্টিয়ে 'বিজয়া'নামত এইখন নাটক অভিনয় কৰিছিল। আন দুখন নাটকৰ সমল পুৰণি জীৱনীলিখক প্লুটাৰ্কৰ ৰচনাৰ পৰা আহৰণ কৰা। ট্ৰেজেডিবিলাকত যি এগৰাকী তিৰোতাৰ ব্যক্তিত্ব পুৰুষসকলৰ কাষে কাষে যাব পৰা, সি হৈছে ইজিপ্টৰ ৰাণী ক্লিওপেট্ৰা। 'জুলিয়াচ চিজাৰ' নাটৰ তেজী চতুৰ এণ্টনি এতিয়া ক্লিওপেট্ৰাৰ হাতৰ মুঠিত। ক্লিওপেট্ৰাৰ প্ৰকৃতিত একালে আছে চঞ্চল, ধূৰ্ত্ত, কামবিলাসী এজনী তিৰোতা আৰু আন-ফালে আছে প্ৰেমৰ কাৰণে জীৱন আহুতি দিব পৰা এগৰাকী দৃঢ়মনা নাৰী।

সেইসময়ত ৰঙ্গমঞ্চত মাইকী মানুহৰ ভাও লৈছিল ল'ৰা বা ডেকাই ; ক্লিওপেট্ৰাৰ বচন এফাকিত এই কথা ওলাই পৰে। এণ্টনিৰ পৰাজয় আৰু আত্মহত্যাৰ পিচত বিজয়ী অক্টেভিয়াছ চিজাৰৰ হাতত পৰি লাঞ্ছিত হব বুলি জানি ক্লিওপেট্ৰাই মৰণৰ কথা চিন্তা কৰে আৰু মন্তব্য কৰে এইদৰে—"সিহঁতে আমাৰ এই আলেকজেন্দ্ৰিয়াৰ আনন্দময় জীৱন অভিনয় কৰি হাঁহিব। আমাৰ বিষয়ে পদ গাব ; এণ্টনিক দেখুৱাব মাতাল কৰি আৰু কোনোবা চিঁচিঁয়া মাতৰ ল'ৰাই মোক বেশ্যাৰ সাজত দেখুৱাই ভেঙুচালি কৰিব।" 'এণ্টনি এণ্ড ক্লিওপেটা'ৰ কাব্যিক ঐশ্বৰ্য্য অনুপম।

'জুলিয়াচ চিজাৰ' আৰু 'কৰিওলেনাচ' নাটকত সাধাৰণ ৰাইজ বা ইতৰজনৰ যি স্বৰূপ দেখুওৱা হৈছে সি অলপ অৱজ্ঞাসূচক ; ৰাইজ যেন চঞ্চল, নিৰ্ভৰযোগ্য নহয়, যেয়ে যেনেকৈ বুজায় তেনেকৈ বুজে। বীৰ কৰিওলেনাছৰ ৰোমৰ নাগৰিকসকলৰ ওপৰত ইমান অনাস্থা যে সিয়ে পিচত তেওঁৰ কাল হ'লগৈ। তেওঁ ৰোমৰ পৰা খেদা খালে আৰু প্ৰতিশোধ লওঁ বুলি সৈন্য-সামন্ত লৈ আকৌ ৰোমৰ দুৱাৰ পালেহি। এনে অৱস্থাত মাতৃ, পত্নী আৰু পুত্ৰৰ কাবৌ-মিনতিত কৰিওলেনাছ ৰোম-ধ্বংসৰ পৰা বিৰত হয় ; কিন্তু এই কথাত ভাল নাপাই যিসকলে তেওঁক সহায় কৰিছিল সেইসকলেই তেওঁক হত্যা কৰে। ৰোমৰ ৰাইজ আৰু শাসনৰ ওপৰত অনাস্থা উপজিবৰ কাৰণ আছিল, কিন্তু তেজৰ টান কৰিওলেনাছৰ ধ্বংসৰ হেতু হ'ল।

গভীৰ অভিজ্ঞতা আৰু চিন্তাৰে গধুৰ হৈ থকা এই ট্ৰেজেডি-বিলাকৰ কাষে কাষে আৰু কেইখনমান নাটক যায়। 'অলছ্ ৱেল ডেট এণ্ডছ ৱেল', 'মেঝাৰ ফৰ মেঝাৰ', আদি নাটকৰ আখ্যানবিলাক ট্ৰেজেডিৰ দৰেই পাপ আৰু বেদনাবিবাগৰ ভাৱ বোৱা, কিন্তু তাৰ সামৰণি শোকাবহ নহয়। 'ট্ৰইলাছ এণ্ড ক্ৰেছিডা'ত অৱশ্যে ৰঙ্গনাটৰ সমল অতি কম। এইখনৰ অসমীয়া ৰূপান্তৰ নবীনচন্দ্ৰ বৰদলৈৰ 'তৰুণ-কাঞ্চন'। শ্বেক্ছপিয়াৰৰ শেহ সম্পূৰ্ণ নাট 'টেম্পেষ্ট'ত আগৰ

নাটককেইখনত থকা এন্ধাৰ পৰিবেশ নাই, এটি শান্ত ভাব তাৰ বিশেষত্ব; যেনিবা নাট্যকাৰৰ মন এতিয়া পাতল, আগৰ কিবা অভিজ্ঞতাই তেওঁক যদি জীৱনৰ অৰ্থসম্বন্ধে সন্দিহান কৰিছিল এতিয়া কৰিবলৈ এৰিলে। দ্বিতীয়তে, ‘হেমলেট’ত সংসাৰৰ সমস্যাৰ চেপাৰ ওপৰ উঠিবলৈ যি আত্মসংযম আৰু নিৰ্ব্বিকাৰ ভাবৰ আৰ্হি তুলি ধৰা হৈছিল তাক কাৰ্য্যতঃ দেখিবলৈ পোৱা যায় এই নাটকত। নিজ ৰাজ্যৰ পৰা বিতাড়িত প্ৰজ্‌ পেৰোৱে মনোকষ্ট আৰু প্ৰতিহিংসাৰ পোৱণিৰ পৰা হাত সাৰিলে আত্মসংযমৰ সহায়ত। পিচত ভাগ্য-পৰিবৰ্ত্তন হ’লত তেওঁ আকৌ নিজ ৰাজ্যলৈ উভতি গ’ল। নাটকখন ওখ খাপৰ নহয় আৰু তাত বাস্তৱতাৰ সমল কম।

## ( ৫ )

ইয়াৰ পিচত দুই-এখন নাটক অসম্পূৰ্ণ কৈ এৰি শ্বেক্‌ছপিয়াৰে ৰঙ্গমঞ্চৰ লগত সম্বন্ধ ছিঙিলে। টেমজ্‌ নদীৰ দক্ষিণে থকা গ্লোৰ থিয়েটাৰত শ্বেক্‌ছপিয়াৰৰ অংশ আছিল। ১৫১৩ খৃষ্টাব্দৰ ২৯ জুন তাৰিখে তাত তেওঁৰ ‘অষ্টম হেনৰি’ মঞ্চস্থ কৰা হয়; অভিনয়ৰ সময়ত হিলৈ ফুটাওঁতে তাৰ জুই ওপৰৰ খেৰৰ চালত লাগি গোটেই ঘৰটো পুৰি যায়। এই ঘটনাৰ পিচতে তেওঁ লণ্ডন একেবেলিয়ে ত্যাগ কৰে। জীৱনৰ শেহৰ কেইবছৰ (১৬০৮-১৬) তেওঁ ঘাইকৈ ষ্ট্ৰেটফোৰ্ডতে কটায়। তেওঁ ইতিমধ্যে নিউ প্লেইচ্‌ নামে ডাঙৰ ঘৰ এটি আৰু বহুতো মাটি কিনিছিল। নিউ প্লেইচত বন্ধু নাট্যকাৰ বেন্‌ জনছন আৰু কবি ড্ৰেইটনক আদৰ-অভ্যৰ্থনা জনোৱাৰ পিচত ৩ মেত ৫২ বছৰ বয়সত তেওঁ প্ৰাণত্যাগ কৰে। মৃত্যুৰ সাতবছৰৰ ভিতৰত লণ্ডনৰ ভাস্কৰ এজনে সজা মূৰ্ত্তি এটি তেওঁৰ কবৰৰ ওপৰত স্থাপন কৰা হয়। ১৬২৩ চনতে তেওঁৰ নাটক আৰু কবিতাবিলাকৰো প্ৰথম সংগ্ৰহ প্ৰকাশ হয়।

শ্বেক্‌ছপিয়াৰৰ ভাটী বয়সৰ কেইটিমান ঘটনা উল্লেখ কৰিব পাৰি। ১৫৯৬ চনত শ্বেক্‌ছপিয়াৰে ৰাণী এলিজাবেথৰ পৰা ডাঙৰীয়া পৰিয়ালৰ বুলি পৰিচয় দিবলৈ এক চনদ পায়। এই বছৰতে তেওঁৰ পুত্ৰ হেমনেটৰ মৃত্যু হয়। তাৰ পিচতে তেওঁ নিউ প্লেইছ কিনে। ১৬০১ চনত এছেক্স্ নামে ডাঙৰীয়া এজনে বিদ্ৰোহ কৰা অপৰাধত প্ৰাণদণ্ড লাভ কৰে। এছেক্সে যিদিনা বিদ্ৰোহ ঘোষণা কৰে তাৰ ঠিক আগদিনা শ্বেক্‌ছপিয়াৰৰ 'দ্বিতীয় ৰিচাৰ্ড' অভিনয় কৰা হয়। নাটকখন মঞ্চস্থ হৈছিল এছেক্সৰ দলৰ লোকৰ অনুৰোধত আৰু তাত আছিল ৰজাক সিংহাসনচ্যুত কৰা আৰ্হি! এই ঘটনা আৰু এছেক্সৰ বিদ্ৰোহ এই দুটাৰ মাজত সম্বন্ধ থকা বুলি শ্বেক্‌ছপিয়াৰৰ কোম্পানীৰ ওপৰত কিছু সন্দেহৰ সৃষ্টি হয়। বিপদৰ আশঙ্কাত এওঁলোকে যেনিবা কিছুদিনৰ কাৰণে লণ্ডন ত্যাগ কৰে। এছেক্স শ্বেক্‌ছপিয়াৰৰ বন্ধু আছিল, আৰু এই দুৰ্ঘটনাই হেনো তেওঁক ইমান দুখ দিছিল যে হেম্‌লেটৰ চৰিত্ৰত প্ৰতিভাশালী কিন্তু মইমতীয়া এছেক্সৰ সাঁচ পৰা বুলি ডভাৰ উইল্‌চনে মন্তব্য কৰিছে। ১৬০৩ চনত ৰাণী এলিজাবেথৰ মৃত্যু হয় আৰু প্ৰথম জেইম্‌ছ সিংহাসনত উঠে। জেইম্‌ছে শ্বেক্‌ছপিয়াৰৰ কোম্পানীক বিশেষ অনুগ্ৰহ আৰু সম্মান দেখুৱাইছিল। ১৬১২ চনত লণ্ডনৰ মোকৰ্দ্দমা এটাত তেওঁ লিখিত সাক্ষ্য দিবলগীয়া হয়। এই সাক্ষ্যত থকা তেওঁৰ দস্তখত বিশেষ সুস্পষ্ট আৰু ই তেওঁৰ দস্তখতৰ সংখ্যাৰ ছয় নম্বৰ। ১৬০৭ চনত শ্বেক্‌ছপিয়াৰৰ জীয়েক ছুজানাৰ বিয়া হয়। ১৬১৩ চনত তেওঁ লণ্ডনত এটি ঘৰ কিনে। তেওঁৰ মৃত্যুৰ দুমাহমান আগেয়ে তেওঁৰ আনজনী জীয়েক যুডিথৰ বিয়া হয়। শ্বেক্‌ছপিয়াৰৰ বংশ বেছিদিনলৈ নাথাকিল; ১৬৭৪ চনত লোপ পালে। তেওঁৰ নিউ প্লেইচ ঘৰো আজিকালি দেখিবলৈ পোৱা নাযায়; তেওঁৰ জন্ম-গৃহ অৱশ্যে আছে; ষ্ট্ৰেটফোৰ্ডৰ পৰা এমাইলমান আঁতৰৰ তেওঁৰ ঘৈণীয়েকৰ পিতৃগৃহ শ্বটাৰি নামৰ গাঁৱত দেখিবলৈ পোৱা যায়। ঘৰটো খেৰৰ জন্ম-

গৃহটোৰ তলত ছটীয়া কাঠৰ টালি। এইবিলাক দৰ্কাৰমতে মেৰামত হৈ থাকে।

শ্বেক্‌ছপিয়াৰে অভিনয় আৰু নাটক কৰি যথেষ্ট ধন উপাৰ্জ্জন কৰিব পাৰিছিল যেন লাগে। তেওঁৰ দুটি থিয়েটাৰ ঘৰত অংশ আছিল। অভিনেতাহিচাবে অৱশ্যে ৰিচাৰ্ড বাৰ্‌বেজৰ সুখ্যাতি সৰহ আছিল। বাৰ্‌বেজেই লিয়াৰ, হেমলেট, তৃতীয় ৰিচাৰ্ড, শ্বাইলক, ৰোমিও আদি চৰিত্ৰৰ যথাযথ অভিনয় কৰিছিল। শ্বেক্‌ছপিয়াৰৰ জীৱনীৰ সমল কিছু পৰিমাণে তেওঁ ৰচনা কৰা চৌধশৰীয়া চনেট-বিলাকতো পায়। কিন্তু এই চনেটত লক্ষ্য কৰিব পৰা সমলৰ ব্যাখ্যা অতি জটিল, কিয়নো কোনো কথা পোনপতীয়াকৈ প্ৰকাশ কৰা নাই আৰু কবিতাবিলাকৰ ক্ৰমো গণ্ডগোলীয়া।

সেইসময়ত চনেট ৰচনা কৰা এটি বিলাস আছিল, আৰু এই চনেটবিলাকত ব্যক্তিগত অভিজ্ঞতাতকৈ কিছুমান সাহিত্যিক ৰীতিৰ প্ৰভাৱহে সৰহ আছিল। এই ৰীতি আছিল প্ৰেম আৰু বন্ধুতাৰ মাজত বিৰোধ দেখুওৱা। এই ৰীতিৰ প্ৰভাৱ শ্বেক্‌ছপিয়াৰৰ ১৫৪টা চনেটত লক্ষ্য কৰিব পাৰিলেও তাত গভীৰ ব্যক্তিগত অভিজ্ঞতাৰ স্পন্দনো অনুভৱ কৰিব পাৰি। প্ৰথম ১২৬টা চনেটৰ উপলক্ষ্য এক উচ্চবংশীয় সুৰূপ গুণশালী ডেকা, কিন্তু পিচৰকেইটাত এক ক'লা চকু ক'লা চুলিৰে শোভিত কৃষ্ণা আইদেউৰ অৱস্থিতি বোধ কৰিব পাৰি। প্ৰথমজনৰ প্ৰতি কৰিব বন্ধুতা আৰু দ্বিতীয়গৰাকীৰ প্ৰতি কৰিব প্ৰেম: দুয়োটাৰে মাজত যেন বিৰোধ, এনেকি বন্ধুৱে তিৰোতাজনী কৰিব পৰা আঁতৰাই নিয়াও দেখা যায়। দুয়োৰে উল্লেখ আছে ১৪৪ নম্বৰ চনেটত—

দুটি প্ৰেম মোৰ আছে সন্তোষ আৰু নৈৰাশ্যৰ হেতু...
বেছি হিতকাৰীগৰাকী এজন সুৰূপ নৰ,
অহিতকাৰীগৰাকী এজনী নাৰী, 'কলীয়া' ৰঙৰ। *

* চকু আৰু চুলি ক'লা হলে ইংৰাজীত dark বোলা হয়, বৰণ যে ক'লা